**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-MAR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আমেৰিকা-ইজৰাইলৰ যুটীয়া বিমান আক্ৰমণত ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যু হোৱা বুলি দাবী কৰিছে। শ্ৰীট্ৰাম্পে সামাজিক মাধ্যমযোগে কয়, যে খামেনেইৰ মৃত্যু ইৰানৰ জনসাধাৰণৰ বাবে দেশখন ঘূৰাই লোৱাৰ উত্তম সুযোগ। প্ৰাপ্ত বাতৰি অনুসৰি আমেৰিকা আৰু ইজৰাইলে ইৰানৰ সামৰিক আৰু চৰকাৰী স্থানসমূহক লক্ষ্য কৰি চলোৱা বিমান আক্ৰমণত খামেনেইৰ মৃত্যু হয়। ইজৰাইলৰ এগৰাকী জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা মতে খামেনেইৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ পূৰ্বে চৰকাৰী টেলিভিছনযোগে দিয়া ভাষণত ইজৰাইলৰ বেঞ্জামিন নেতান্যাহুৱে খামেনেইৰ মৃত্যু হোৱা বুলি আশংকা প্ৰকাশ কৰিছিল। ইৰানৰ চৰকাৰী টেলিভিছনে আয়াতুল্লাহ খামেনেইৰ মৃত্যুৰ কথা নিশ্চিত কৰিছে। ইৰানত খামেনেইৰ মৃত্যুত ৪০ দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে। ইৰানৰ সংবাদমাধ্যমৰ বাতৰি অনুসৰি আমেৰিকা আৰু ইজৰাইলৰ আক্ৰমণত কমেও ২০১ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ৭০০ৰো অধিক আহত হৈছে।

০০০০০০

লখিমপুৰ জিলাৰ নৰাগাঁৱৰ কিষান বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ত আজিৰে পৰা জুবিন গাৰ্গ প্ৰকৃতি মহোৎসৱ অনুষ্ঠিত হ'ব। জৈৱ বৈচিত্ৰ সংৰক্ষণ আৰু পৰিৱেশৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে এটা স্বেচ্ছাসেৱী সংস্থা আৰু লখিমপুৰৰ প্ৰকৃতিপ্ৰেমী ৰাইজৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে জুবিন গাৰ্গ অৰ্কিট উদ্যানৰ কামো আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব। অনুষ্ঠানৰ অংশ হিচাপে জলাশয় আৰু জৈৱ বৈচিত্ৰ বিষয়ক এখন আলোচনা সত্ৰ অনুষ্ঠিত হ'ব। কাইলৈ জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজ দিয়াত চৰকাৰী পদক্ষেপতকৈ ব্যক্তিগত জীৱন শৈলীৰ পৰিৱৰ্তন অধিক গুৰুত্বপূৰ্ণ শীৰ্ষক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। পৰহিলৈ ৰং-তুলিকাৰ প্ৰতিযোগিতা, কৃষি আৰু প্ৰকৃতি সংৰক্ষণৰ সৈতে জড়িত ব্যক্তিক সম্বৰ্ধনা আৰু প্ৰকৃতি আৰু কৃষিৰ সম্পৰ্ক শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। প্ৰতিদিনে বিয়লি জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত কালি ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত এখন যুৱ সংসদ অনুষ্ঠিত হয়। ভাৰতৰ জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ, ভাৰতীয় গণতন্ত্ৰৰ বাবে শিক্ষা শীৰ্ষক বিষয়ত অনুষ্ঠিত এই যুৱ সংসদত জিলাখনৰ ১৮ৰ পৰা ২৫ বছৰ বয়সৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা এন এছ এছৰ আঁচনি বিষয়া ড০ ডেভিদ কাৰ্ডঙে অধ্যক্ষ হিচাপে অংশ লোৱা যুৱ সংসদত অংশগ্ৰহণকাৰীসকলে গণতান্ত্ৰিক প্ৰমূল্য, নীতি-নিৰ্ধাৰণ, সততা, সজাগতাকে ধৰি কেইবাটাও বিষয়ৰ ওপৰত আলোকপাত কৰে। তেওঁলোকে বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ দৃষ্টিভংগীৰে নৱ-প্ৰজন্মৰ অংশীদাৰিত্বৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ দিনজানত নিৰ্মিয়মান ৰাজ্যৰ প্ৰথমটো বন্যপ্ৰাণী চিকিৎসা আৰু গৱেষণা প্ৰতিষ্ঠানৰ নিৰ্মাণকাৰ্য শীঘ্ৰে সম্পূৰ্ণ হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। কালি অভিলাষী প্ৰকল্পটো পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। উল্লেখযোগ্য যে, যোৱা ৩০ জানুৱাৰীত গৃহ মন্ত্ৰী অমিত শ্বাহে এই

প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল। প্ৰকল্পটো পৰিদৰ্শন কৰি শ্ৰী সোণোৱালে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী দৃষ্টিভংগীৰে চহকী জৈৱ বৈচিত্ৰ সংৰক্ষণৰ বাবে বিশেষ পদক্ষেপ লোৱা হৈছে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে সকলো জিলা বিদ্যালয় পৰিদৰ্শকক একাদশ শ্ৰেণীত নামভৰ্তিৰ বাবে আবেদন কৰা সকলো বিদ্যাৰ্থীয়ে বাধ্যতামূলক আধাৰ বায়'মেট্ৰিক আপডেট কৰাটো নিশ্চিত কৰিবলৈ কৈছে। ভাৰতীয় অনন্য পৰিচয় জ্ঞাপক প্ৰাধিকৰণ, ইউ আই ডি এ আইৰ আঞ্চলিক কাৰ্যালয়ৰ তৰফৰ পৰা লাভ কৰা পত্ৰৰ ভিত্তিত পৰিষদে এই নিৰ্দেশ জাৰী কৰিছে। পৰিষদৰ নিৰ্দেশ অনুসৰি ৫ৰ পৰা ১৫ বছৰ বয়স আৰু ইয়াৰ ঊৰ্ধৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে বায়'মেট্ৰিক আপডেট কৰাটো বাধ্যতামূলক। ইয়াৰ উপৰি এইবাৰৰ শিক্ষা বৰ্ষৰ পৰা একাদশ শ্ৰেণীত নামভৰ্তি কৰিব খোজা ছাত্ৰ-ছাত্ৰীসকলে দৰ্পন প'ৰ্টেলত পঞ্জীয়ন কৰাৰ সময়ত বায়'মেট্ৰিক আপডেট কৰাটো নিশ্চিত কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচনী বিভাগে প্ৰস্তুতি অব্যাহত ৰাখিছে। কালি ডিব্ৰুগড় জিলা পুথি ভঁৰাল প্ৰেক্ষাগৃহত বিধানসভা সমষ্টি পৰ্যায়ৰ মূল প্ৰশিক্ষক, মাণ্ডলিক বিষয়া আৰু খণ্ড বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হয়। তিনিদিনীয়া এই প্ৰশিক্ষণত ইলেকট্ৰনিক ভোটিং মেচিনৰ ব্যৱহাৰিক প্ৰশিক্ষণ দিয়া হয়। মাজুলী জিলাত কালি জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন টকবিকে ধৰি শীৰ্ষ বিষয়াসকলে আহতগুৰি অঞ্চলৰ নদীকাষৰীয়া আৰু চৰ এলেকাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত এই কেন্দ্ৰসমূহৰ আন্তঃগাঁথনি তথা নিৰাপত্তা ব্যৱস্থাৰ বুজ লোৱা হয়। ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ পৰা যাতে কোনো ভোটদাতা বাদ পৰি নাযায় তাৰ বাবে ভৌগোলিক দিশৰ পৰা প্ৰত্যাহ্বানপূৰ্ণ স্থানসমূহতো সকলো সুবিধাৰ ব্যৱস্থা কৰিবলৈ বিষয়াসকলে আলোচনা কৰে।

০০০০০০

**সমাপ্ত**